# Bhattadev University observed International Girl Child Day, 2025

The Women Cell, Bhattadev University observed International Girl Child Day on October 11, 2025 in Bajali Higher Secondary School, Pathsala. Ranjan Kumar Chakraborty, Principal (i/c) of the school presided over the programme. In his welcome address, Chakraborty emphasized on the ability of girls and women to change the society, appreciate their power of strong determination and encouraged the girls to take part in different social activities. Highlighting the objectives of the Programme, Dr. Nabanita Baruah, Assistant Professor cum Secretary, Women Cell, Bhattadev University emphasized on the need to celebrate International Girl Child Day worldwide due to different factors such as dissatisfactory enrollment of girls in school at global level, poor health conditions of girls and limited leadership of women in top managerial positions in spite of a few women's achievements in business, science, politics and other fields. Dr. Runima Sarma, Associate Professor, Dept of Sanskrit, Bhattadev University, graced the occasion as the Resource Person of the programme. She focused on the theme of the day "The girl I am, the change I lead: Girls on the frontlines of crisis". Dr. Sarma discusses the positive outlook of being born as a girl, her power as "Untold Shakti", need of girls in the present time to question on any mysterious activities of the people wheather at home or outside and highlighted the life history of Chandraprava Saikiani as an inspiring story for the girls. Hemanga Talukder, Senior faculty and Rumi Das, member Women Cell, Bajali Higher Secondary School also spoke on the importance of the day. The programme included an interactive session with the participant girls. Vote of thanks was presented by Dr. Nibedita Mahanta, Assistant Professor, Dept of Statistics cum member, Women Cell, Bhattadev University.



Welcome Address by the Principal, Bajali HS School





Objectives by the Secretary, Women Cell




Dr. Runima Sarma, Resource Person







Principal's concluding Remarks

Vote of Thanks




Group Photo of two institutions: Bhattadev University and Bajali Higher Secondary School, Pathsala

**Newspaper Clipping**



## আনন্দৰাম বৰুৱা একাডেমী, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ উদ্যোগ

# পাঠশালা-সৰুপেটাত কন্যা শিশু দিৱস

**প্রতিদিন বিশেষ সংবাদ, পাঠশালা, ১১ অক্টোবৰ ঃ** পাঠশালাৰ আনন্দৰাম বৰুৱা একাডেমী ডিগ্রী কলেজৰ মহিলা সবলীকৰণ কোষৰ উদ্যোগত আজি বিদ্যা মন্দিৰ হাইস্কুল, সৰুপেটাত আন্তঃৰাষ্ট্ৰীয় কন্যা শিশু শিৱস পালন কৰা হয়। এই দিৱস উপলক্ষে 'কন্যা সন্তান এটা জাতিৰ গৌৰৱ' শীৰ্ষক এখন আলোচনাচক্ৰও অনুষ্ঠিত কৰা হয়। বিদ্যা মন্দিৰ হাইস্কুলৰ প্ৰধান শিক্ষক কাবুল কলিতাই সঞ্চালনা কৰা আৰু আনন্দৰাম বৰুৱা একাডেমীৰ শিক্ষা বিভাগৰ মুৰব্বী তথা মহিলা সবলীকৰণ কোষৰ আহ্বায়ক ড° ৰুণুমা শইকীয়াই আঁত ধৰা আলোচনাচক্ৰত বক্তা হিচাপে উপস্থিত থাকি শিক্ষানুষ্ঠানখনৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী হেমেন তালুকদাৰে কন্যা সন্তানসকলৰ বাবে থকা বিশেষ অধিকাৰ, বিভিন্ন আঁচনিসমূহৰ লগতে সাংবিধানিক আইন সন্দৰ্ভতো ব্যাখ্যা কৰে। অনুষ্ঠানত ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক ড° নৱ খাটনিয়াৰে ভাষণ প্ৰসংগত কন্যা সন্তানসকলক বিশেষভাৱে শিক্ষিত কৰি তোলাৰ লগতে ব্যৱহাৰিক শিক্ষাদান সন্দৰ্ভতো গুৰুত্ব দিয়ে। ড° খাটনিয়াৰে মহিলা সবলীকৰণৰ বাবে অৰ্থনৈতিক স্বাৱলম্বিতা সন্দৰ্ভত গুৰুত্ব দিয়ে। শিক্ষানুষ্ঠানখনৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° অনুস্মিতা তালুকদাৰে ভাল স্পৰ্শ, বেয়া স্পৰ্শ, বাল্য বিবাহ, যৌন নিৰ্যাতন ৰোধ আদিৰ বিষয়তো ভাষণ প্ৰদান কৰি মহিলাসকলক নিজৰ কেৰিয়াৰ গঢ়া, স্বাধীনভাৱে কাম কৰাতো গুৰুত্ব দিয়ে। অনুষ্ঠানত বিদ্যা মন্দিৰ হাইস্কুল পৰিচালনা সমিতিৰ সভাপতি কিশোৰ কুমাৰ মেধিয়ে পিচপৰা মহিলাসকলৰ সবলীকৰণৰ প্ৰস্তাৱ আগবঢ়োৱাৰ লগতে শিক্ষাৰ্থীসকলক নিজৰ সপোন বাস্তৱ কৰাৰ বাবে শিক্ষাগুৰুসকলৰ সহায় ল'বলৈ আহ্বান জনাই আনন্দৰাম বৰুৱা একাডেমীৰ মহিলা সবলীকৰণ কোষৰ এই পদক্ষেপক শলাগ লয়। আনন্দৰাম বৰুৱা একাডেমীৰ অধ্যক্ষ ড° ৰঞ্জিত ডেকাৰ তৎপৰতাত মহিলা সবলীকৰণ কোষে অনুষ্ঠিত কৰা কন্যা শিশু দিৱসৰ কাৰ্যসূচীৰ অন্তত শলাগ জ্ঞাপন কৰে পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° বন্দিতা চৌধুৰীয়ে। ইপিনে বজালী ভট্টদেৱ বিশ্ববিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগতো বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কন্যা দিৱস পালন কৰা হয়। বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰঞ্জন কুমাৰ চক্ৰৱৰ্তীয়ে সভাপতিত্ব কৰা আৰু ভট্টদেৱ বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক তথা মহিলা কোষৰ সম্পাদিকা ড° নৱনীতা বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি সংস্কৃত বিভাগৰ অধ্যাপক ড° ৰুণীমা শৰ্মাই কন্যাৰ অন্তৰ্নিহিত শক্তি সন্দৰ্ভত ভাষণ দিয়ে। অনুষ্ঠানৰ অন্তত মহিলা কোষৰ সদস্য ড° নিবেদিতা মহন্তই শলাগ জ্ঞাপন কৰে।

**Asomiya Pratidin (12/10/2025)**

**‘অৰ্থনৈতিকভাৱে স্বাৱলম্বী কন্যাসকল সমাজৰ গৌৰৱ’**

# বজালীত আন্তঃৰাষ্ট্ৰীয় কন্যাশিশু দিৱস



**নিয়মীয়া বাৰ্তা, পাঠশালা, ১১ অক্টোবৰ ঃ** আজি আন্তঃৰাষ্ট্ৰীয় কন্যাশিশু দিৱস। দেশৰ বিভিন্ন প্ৰান্তৰ লগতে বজালীতো আজি বিভিন্ন কাৰ্যসূচীৰে এই দিৱস পালন কৰা হয়। আজি পাঠশালাৰ আনন্দৰাম বৰুৱা একাডেমী ডিগ্ৰী কলেজৰ উদ্যোগতো পালন কৰা হয়। বজালী জিলাৰ সৰুপেটা বিদ্যামন্দিৰ হাইস্কুলত ‘কন্যা সন্তান এটা জাতিৰ গৌৰৱ’ বিষয়ক লৈ পালন কৰা কন্যাশিশু দিৱসৰ অনুষ্ঠানত আদৰণী ভাষণ দি আনন্দৰাম বৰুৱা একাডেমী ডিগ্ৰী কলেজৰ মহিলা সবলীকৰণ কোষৰ আহ্বায়ক তথা শিক্ষা বিভাগৰ বিভাগীয় প্ৰধান ড° ৰুণুমা শইকীয়াই কয় যে ছাত্ৰীসকলে সদায় ভালদৰে পঢ়া-শুনা কৰি নিজৰ সপোন পূৰণ কৰাৰ বাবে চেষ্টা অব্যাহত ৰাখিব লাগে। সৰুপেটা *১৫ পৃষ্ঠাত*

**ওৰাং বিদ্যালয়ত**

## বজালীত আন্তঃৰাষ্ট্ৰীয় কন্যাশিশু দিৱস

বিদ্যামন্দিৰ হাইস্কুলৰ প্ৰধান শিক্ষক কাবুল কলিতাই উদ্বোধন কৰা সভাখনত আনন্দৰাম বৰুৱা একাডেমী ডিগ্ৰী কলেজৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সঞ্চালক হেমেন তালুকদাৰে ভাষণ দি কন্যা আৰু মহিলাসকলৰ সুৰক্ষাৰ বাবে প্ৰণয়ন কৰা বিভিন্ন আইন আৰু আঁচনি আৰু তাৰ সুবিধা তথা সাংবিধানিক অধিকাৰ সন্দৰ্ভত বিশদ ব্যাখ্যা দাঙি ধৰে। বিদ্যামন্দিৰ হাইস্কুলৰ শিক্ষাৰ্থীৰ দ্বাৰা বৰগীত পৰিৱেশন কৰা অনুষ্ঠানটোত বক্তৃতা প্ৰদান কৰি ইংৰাজী বিভাগৰ জ্যেষ্ঠ সহকাৰী অধ্যাপক ড° নৱ খাটনিয়াৰে এক কন্যা দহ পুত্ৰৰ সমান বুলি মন্তব্য কৰি কয় যে প্ৰতিগৰাকী কন্যা সন্তান আমাৰ বাবে গৌৰৱ। তেওঁ প্ৰতিগৰাকী কন্যাকে অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে বুলি জোৰ দি কয় যে অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ’ব নোৱাৰিলে কন্যাসকল সমাজৰ গৌৰৱ হ’ব নোৱাৰিব। বিদ্যামন্দিৰ হাইস্কুলৰ বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি কিশোৰ মেধিয়ে ভাষণ দি আনন্দৰাম বৰুৱা একাডেমী ডিগ্ৰী কলেজৰ কাৰ্যসূচীৰ শলাগ লৈ আজিৰ অনুষ্ঠানটোৱে ছাত্ৰীসকলক বিশেষভাৱে উপকৃত কৰিব বুলি মন্তব্য কৰে। একাডেমীৰ মহিলা সবলীকৰণ কোষৰ সদস্যা তথা অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° অনুস্মিতা তালুকদাৰেও ভাষণ দি যৌতুক প্ৰথা, যৌন নিৰ্যাতন আৰু বাল্যবিবাহৰ কু-ফল সন্দৰ্ভত মন্তব্য আগবঢ়াই প্ৰতিগৰাকী ছোৱালীকে সুস্থ সমাজৰ বাবে ব্যাধিস্বৰূপ এই কু-প্ৰথাসমূহৰ বিৰুদ্ধাচৰণ কৰিবলৈ আহ্বান জনায়। বিদ্যামন্দিৰ হাইস্কুলৰ প্ৰধান শিক্ষক কাবুল কলিতাই সামৰণী ভাষণ দি কন্যাসকলৰ প্ৰতি কৰা যিকোনো বেয়া আচৰণ দেখিলে তাৰ প্ৰতিবাদ কৰিবলৈ ছাত্ৰীসকলক আহ্বান জনায়। একাডেমীৰ মহিলা সবলীকৰণ কোষৰ আন এগৰাকী সদস্যা তথা শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক ডিম্পী তালুকদাৰৰ উপস্থিতিত অনুষ্ঠানৰ অন্তত শলাগৰ শৰাই আগবঢ়ায় মহিলা সবলীকৰণ কোষৰ সদস্যা তথা পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° বন্দিতা চৌধুৰীয়ে। ইপিনে, পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত আজি বজালী উচ্চতৰ মধ্যিমিক বিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় কন্যাশিশু দিৱস উদ্‌যাপন কৰা হয়। বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰঞ্জন কুমাৰ চক্ৰৱৰ্তীৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানটোত চক্ৰৱৰ্তীয়ে আদৰণী ভাষণ দিয়ে। ভট্টদেৱ বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপিকা তথা মহিলা কোষৰ সম্পাদিকা ড° নৱনীতা বৰুৱাই সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰি কন্যাশিশু দিৱস উদ্‌যাপনৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। ভট্টদেৱ বিশ্ববিদ্যায়ৰ সংস্কৃত বিভাগৰ সহযোগী অধ্যাপিকা তথা আজিৰ অনুষ্ঠানৰ সমল ব্যক্তি ড° ৰুণীমা শৰ্মাই আজিৰ দিৱসৰ বিষয়বস্তু The garl I am, the change I lead. Girls on the frontlines of crisisৰ বিষয়ে বক্তব্য আগবঢ়ায়। তেওঁ কন্যাশিশু হিচাপে জন্মগ্ৰহণ কৰাটো আৰু কন্যাৰ অন্তৰ্নিহিত শক্তিৰ ওপৰত ইতিবাচক দৃষ্টিভংগী আগবঢ়ায় আৰু বৰ্তমান সময়ছোৱাত ঘৰত অথবা বাহিৰত সংঘটিত যিকোনো সন্দেহজনক কাৰ্যাকলাপত প্ৰশ্ন উত্থাপন কৰা মানসিকতা গঢ়ি তুলিবলৈ কন্যাসকলক উৎসাহিত কৰাৰ লগতে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱন ইতিহাস উদ্বৃতি দি তেওঁলোকক অনুপ্ৰাণিত কৰে। বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক হেমাংগ তালুকদাৰ আৰু বিদ্যালয়ৰ মহিলা কোষৰ সদস্যা ৰুমী দাসেও আন্তঃৰাষ্ট্ৰীয় কন্যাশিশু দিৱসৰ গুৰুত্বৰ বিষয়ে ব্যক্তব্য আগবঢ়ায়। প্ৰশ্নোত্তৰ কাৰ্যসূচীৰো অন্তৰ্ভুক্ত কৰা অনুষ্ঠানটোৰ অন্তত ভট্টদেৱ বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপিকা তথা মহিলা কোষৰ সদস্যা ড° নিবেদিতা মহন্তই শলাগৰ শৰাই আগবঢ়ায়।

**Niyomiya Barta (12/10/2025)**